অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)
নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam
Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০৯/০৪/২০২২-২৩
Ref :

তাৰিখ ঃ ২০-০৬-২০২৩
Date :

## অসম জাতীয় বিদ্যালয়ত ৰাজ্যিক ভিত্তিত বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা প্ৰথম স্থানত মৰিগাঁৱৰ মুক্তিযুঁজাৰু লালচিং ডেকা জাতীয় বিদ্যালয়ৰ প্ৰস্তুতি হাজৰিকা

**নুনমাটি, গুৱাহাটী, ২০ জুন ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি অসম জাতীয় বিদ্যালয় প্ৰাংগণত ৰাজ্যিক ভিত্তিত আন্তঃ জাতীয় বিদ্যালয় বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ৰাজ্যখনৰ ১৮ খন জিলাৰ ৩৫ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আৰম্ভণিতে বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে অসমৰ বিশিষ্ট সংগীত পৰিচালক ৰমেন চৌধুৰীয়ে। আজিৰ এই দিনটোতে দেহাবসান ঘটা অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ শৈক্ষিক সঞ্চালক কৃষ্ণ কুমাৰ বৰা আৰু বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী ৰক্তাভ দত্ত চৌধুৰীৰ স্মৃতিতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত আদৰণী ভাষণ দিয়ে অসম জাতীয় বিদ্যালয় অধ্যক্ষ ঘনশ্যাম মেধিয়ে। প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে অসমৰ স্বনামধন্য সংগীতজ্ঞ ৰমেন চৌধুৰী, জেপি দাস আৰু আলেখ্য চক্ৰৱৰ্তী। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে মৰিগাঁৱৰ মুক্তিযুঁজাৰু লালচিং ডেকা জাতীয় বিদ্যালয়ৰ প্ৰস্তুতি হাজৰিকাই। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে নগাঁৱৰ নৱৰূপ জাতীয় বিদ্যাপীঠৰ নিৰঞ্জনা বৰা আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অভিলাষা বৰ্মনে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে ডিব্ৰুগড়ৰ ডিকম জাতীয় বিদ্যালয়ৰ জাহ্নৱী ফুকন আৰু দৰঙৰ জাতীয় বিদ্যালয়, ছিপাঝাৰৰ অনিন্দিতা নাথে। প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত প্ৰতিযোগীক এটি ট্ৰফী আৰু কিতাপৰ টোপোলাৰ লগতে নগদ ১০,০০০.০০ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীলৈ ট্ৰফী আৰু কিতাপৰ টোপোলাৰ লগতে যথাক্ৰমে ৭,০০০.০০ আৰু ৫,০০০.০০ টকা আগবঢ়োৱা হয়। আজিৰ অনুষ্ঠানতে বিষ্ণু ৰাভাৰ জীৱন আৰু কৰ্ম সম্পৰ্কীয় এখনি প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে সমৱেত সংগীত পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ অসমীয়া আৰু সংস্কৃত বিভাগৰ শিক্ষয়িত্ৰী তথা আজিৰ অনুষ্ঠানটোৰ আহ্বায়িকা কান্তাশ্ৰী গোস্বামীয়ে। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ গণিত বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী আৰু অসমীয়া আৰু সংস্কৃত বিভাগৰ শিক্ষক দীপক কোচে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়